# উদ্‌যাপন সমিতিৰ সভাপতিৰ নিৱেদন

নমস্কাৰ,

পোনপ্ৰথমে মই ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী উপলক্ষে অধ্যক্ষ ড০ শশীকান্ত শইকীয়া ডাঙৰীয়াৰ লগতে প্ৰতিগৰাকী অধ্যাপক-অধ্যাপিকা, মহাবিদ্যালয় পৰিচালনা সমিতি, কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰ-ছাত্ৰী সকলক মোৰ সাদৰ সম্ভাষণ জনাইছোঁ।

অবিভক্ত লখিমপুৰ জিলাৰ প্ৰথমখন তথা উজনি অসমৰ দ্বিতীয়খন উচ্চশিক্ষাৰ অনুষ্ঠান ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি গুৰুদায়িত্ব আমাৰ ওপৰত যি বিশ্বাসেৰে ন্যস্ত কৰা হৈছিল সেই বিশ্বাসৰ মূল্য দিবলৈ সদায়ে যত্ন কৰি আহিছোঁ। ২০১৯ চনৰ ছেপ্টেম্বৰ মাহত হোৱা আৰম্ভণি অনুষ্ঠানৰ পাছত বছৰজোৰা বিভিন্ন কাৰ্যসূচী পালন কৰাৰ পৰিকল্পনা কৰা হৈছেল, যদিও সেই বছৰৰে শেষৰ ফালে আৰম্ভ হোৱা বিশ্বজোৰা ক'ভিড মহামাৰীয়ে যি তাণ্ডৱ সৃষ্টি কৰিলে তাৰ ফলত সকলো বন্ধ হৈ পৰিল। ইতিমধ্যে সেই মহামাৰীত সমগ্ৰ বিশ্বতে বহুলক্ষ মানুহে প্ৰাণ ত্যাগ কৰিলে। ক'ভিড মহামাৰীত প্ৰাণ হেৰুৱা সকলো ব্যক্তিৰ প্ৰতি শ্ৰদ্ধাঞ্জলি তপৰ্ণ কৰিছোঁ।

উজনি অসমৰ অন্যতম অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ উদ্‌যাপন সমিতিৰ এগৰাকী সভাপতি হিচাপে আজিৰ অনুষ্ঠানত মই এনেদৰে উপস্থিত থাকিবলৈ পাৰি নিজকে ধন্য মানিছোঁ আৰু গৌৰৱান্বিত হৈছোঁ। বিগত ৭৭ বছৰে স্বকীয় মৰ্যদাৰে মহিমামণ্ডিত এই মহাবিদ্যালয়খনৰ অংশ আছিলোঁ মই নিজেও। সেইবাবেই যেতিয়াই এই মহাবিদ্যালয়খনলৈ আহোঁ তেতিয়াই নিজৰ পুৰণি দিনৰ স্মৃতি সমূহক পুনৰবাৰ জীয়াই ল'বলৈ চেষ্টা কৰোঁ। মই আজি এটা কথা উল্লেখ্ক কৰিবই লাগিব যে, আমাৰ এই কানৈ মহাবিদ্যালয়খনৰ চৌহদৰ পৰাই আৰম্ভ হৈছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চিৰযুগমীয়া যাত্ৰা। কেৱল এয়াই নহয়, ঐতিহাসিক এই মহাবিদ্যালয়খনে প্ৰতিষ্ঠা হোৱাৰ দিনৰে পৰা নিৰলসভাৱে মানৱ সম্পদ গঢ় দিয়াৰ ক্ষেত্ৰত অহোপুৰুষাৰ্থ কৰিছে।

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী এইবাৰ আন এটি কাৰণেও বিশেষ হৈ পৰিছে। এইবাৰ কানৈ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক উপাধ্যক্ষ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰথমগৰাকী ৰেক্টৰ, কৰ্মযোগী লক্ষীপ্ৰসাদ দত্তদেৱৰ নামত প্ৰৱৰ্তন কৰা বঁটা মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়ালৈ আগবঢ়োৱা হ'ব। তেখেতে ৰাজ্যখনৰ শৈক্ষিক পৰিৱেশৰ পৰিৱৰ্তন সাধনেৰে নতুন প্ৰজন্মক শক্তিশালী কৰি তুলিবলৈ নিৰন্তৰভাৱে কাম কৰি আহিছে। তেখেতৰ এই প্ৰচেষ্টাৰ বাবে আমি আটাইয়ে তেখেতৰ ওচৰত চিৰকৃতজ্ঞ।

আশা কৰিছোঁ, অনাগত দিনত কানৈ মহাবিদ্যালয়ৰ এই সফলতাৰ যাত্ৰা অব্যাহত থাকক। লগতে, ছাত্ৰ-ছাত্ৰীসকলকো সদ্ ভাৱ আৰু নিষ্ঠাসহ অধ্যয়ন কৰি মহাবিদ্যালয়খনৰ নাম ৰাজ্যখনৰ শৈক্ষিক ক্ষেত্ৰত জিলিকাই ৰখাৰ বাবে আহ্বান জনাইছোঁ।

শৈক্ষিক চহৰ হিচাপে ডিব্ৰুগড়ক গঢ়িতোলাৰ ক্ষেত্ৰত কানৈ মহাবিদ্যালয়ৰ আছে এক গুৰুত্বপূৰ্ণ ভূমিকা। ইতিহাসৰ পাত মেলি যদি চাওঁ তেন্তে দেখিম যে ১৯৪৫ চনত স্থাপন হোৱা এই মহাবিদ্যালয়খনৰ পৰাই কালক্ৰমত অসমৰ স্ত্ৰী শিক্ষাৰ ক্ষেত্ৰত লেখতল'বলগীয়া মহাবিদ্যালয় মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়, বাণিজ্য শিক্ষাৰ ক্ষেত্ৰত কানৈ বাণিজ্য মহাবিদ্যালয়, আইন শিক্ষাৰ ক্ষেত্ৰত কানৈ আইন মহাবিদ্যালয় গঢ়ি উঠিছে। কেৱল সেয়াই নহয় কানৈ মহাবিদ্যালয়তেই ৰোপণ হৈছিল ডিব্ৰুগড় বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰো বীজ।

এখন মহাবিদ্যালয়ৰ পৰা ক্ৰমান্বয়ে প্ৰসাৰিত হৈ ইমানকেইখন মহাবিদ্যালয় তথা একোখনকৈ বিশ্ববিদ্যালয় গঢ়ি উঠাৰ দ্বিতীয় এক নজিৰ তথা উদাহৰণ অসম নালাগে, ভাৰত নালাগে, বিশ্বৰ প্ৰেক্ষাপটতেই হয়তো বিৰল হ'ব। সেয়েহে মই ভাবো, এনে এক গৌৰৱৰ বাবে, ঐতিহ্যৰ বাবে কানৈ কলেজ ডিব্ৰুগড়ৰ উচ্চ শিক্ষানুষ্ঠানৰ ক্ষেত্ৰত এগৰাকী জন্মদাত্ৰী মাতৃৰ দৰে ভূমিকা গ্ৰহণ কৰি আছে। কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলেই এই শিক্ষানুষ্ঠানখনক লৈ কেৱল গৌৰৱ কৰিব লাগে তেনে নহয়। বৰঞ্চ প্ৰতিজন ডিব্ৰুগড়বাসীৰ বাবেই ডিব্ৰুগড় হনুমানবক্স কানৈ মহাবিদ্যালয় এক গৌৰৱ আৰু ঐতিহ্যৰ প্ৰতীক হোৱা উচিত। এই সময় আছিল উজনি অসমৰ সমগ্ৰ বৌদ্ধিক পৰিমণ্ডল নিয়ন্ত্ৰণ হৈছিল ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ পৰা। পণ্ডিত প্ৰৱৰ ড০ যোগীৰাজ বসু, বনফুলৰ কবি যতীন্দ্ৰ নাথ দুৱৰা, গীতিকাৰ তফজ্জুল আলি, ড০ পৰিক্ষীত হাজৰিকা, প্ৰফুল্ল ভট্টাচাৰ্য, বেণুধৰ ৰাজখোৱা আদিৰ দৰে বৰেণ্য ব্যক্তি যুক্ত হৈ আছিল এইখন মহাবিদ্যালয়ৰ সৈতে। শিক্ষানুষ্ঠানৰ ভিতৰত এক অগ্ৰণী ভূমিকা থকাৰ বাবেই এইখন মহাবিদ্যালয়ত পদাপৰ্ণ ঘটিছিল, সেই সময়ৰ উপ-ৰাষ্ট্ৰপতি ৰাধাকৃষ্ণ, ৰাজেন্দ্ৰ প্ৰসাদ, মোৰাৰজী দেশাই, জৱাহৰলাল নেহেৰু, ইন্দিৰা গান্ধী, বিষ্ণুৰাম মেধিৰ দৰে ৰাজনৈতিক ব্যক্তিৰ।

মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠান যথাসময়ত অনুষ্ঠিত কৰিব নোৱাৰিলেও দুটা বছৰ পলমকৈ হ'লেও পালন কৰিবৰ সময়ত এইখিনি কথা মনলৈ আহিছে কাৰণ আমি নিজকে আৰু বহুখিনি সলনি কৰিব পাৰিলেহে শতবাৰ্ষিকী উদ্‌যাপন কৰিবলৈ সক্ষম হ'ম। এই আশাৰেই সকলোৰে মঙ্গল কামনা কৰি মহাবিদ্যালয়খনৰ অগ্ৰগতিত সকলোৰে সহযোগিতা কামনা কৰিলোঁ। ইতি।

**ঋতুপৰ্ণ বৰুৱা**
সভাপতি
মহাৰজত জয়ন্তী উদ্‌যাপন সমিতি
ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়